জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯৫/২০২০

<u>মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ৱেবছাইট আনুষ্ঠানিকভাৱে উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# বিশ্ববিদ্যালয়খনে অসমৰ সংস্কৃতিক এটা উদ্যোগ হিচাপে গঢ়ি তোলাৰ পোষকতা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ৱেবছাইট এটা আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। এই ৱেবছাইটতো হ'ল www.muoc.ac.in। এই ৱেবছাইটৰ জৰিয়তে দেশ-বিদেশৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে পৰ্যটকসকলে বিশ্ববিদ্যালয়খনৰ বিভিন্ন তথ্য জানিব পাৰিব।

এই উপলক্ষে মাজুলী জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ভৱিষ্যতৰ দিনত এই সাংস্কৃতিক বিশ্ববিদ্যালয়খনে অসমৰ বৃহত্তৰ সমাজখনক সাংস্কৃতিক দিশত ঐক্যবদ্ধ কৰি ৰখাত প্ৰমুখ ভূমিকা ল'ব লাগিব। বিশ্ববিদ্যালয়খনে সমন্বয়ক অধিক সমৃদ্ধ কৰাৰ লগতে অসমৰ সাংস্কতিক ভেটিটোক ভৱিষ্যতলৈ টনকিয়াল কৰি ৰখাৰ ক্ষেত্ৰত দিকনিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব লাগিব। এই বিশ্ববিদ্যালয়খন অন্যান্য বিশ্ববিদ্যালয়তকৈ পৃথক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ মাজত থকা সাংস্কৃতিক উপাদানসমূহৰ সৌন্দৰ্য অধিক প্ৰসাৰ আৰু প্ৰচাৰত সহায়ক হোৱাকৈ বিশ্ববিদ্যালয়খনে শিক্ষা প্ৰদান কৰিব লাগিব যাতে এই বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা লোৱা ছাত্ৰ-ছাত্ৰীসকলে পেছাদাৰী শিক্ষা লাভ কৰি আমাৰ সাংস্কৃতিক জীৱন ধাৰাৰ লগতে সমাজখনক সাংস্কৃতিক মানসিকতাৰে আগুৱাই যোৱাৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰিব পাৰে। তেওঁ কয় যে এই বিশ্ববিদ্যালয়খনক অসমৰ সংস্কৃতিক এটা উদ্যোগ হিচাপে গঢ়ি তুলিব লাগিব যাতে ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ পৰা সাংস্কৃতিক অনুষ্ঠান পৰিচালনাৰ বিষয়ে সঠিক জ্ঞান লাভ কৰিব পাৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ পৰম্পৰাগত লোকাচাৰ, জীৱনশৈলীৰ বিষয়ে গৱেষণা কৰি পাঠ্যক্ৰম যুগুতোৱাত বিশ্ববিদ্যালয়খনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়খনে বিশ্বৰ আন দেশৰ বাবে যাতে এক আদৰ্শ বিশ্ববিদ্যালয় হিচাপে আৰ্হি দাঙি ধৰিব পাৰে তাৰ বাবে সৰ্বাত্মক প্ৰয়াস চলাব লাগিব। তেওঁ লগতে কয় যে জৈৱ বৈচিত্ৰ আৰু সাংস্কৃতিক তথা আধ্যাত্মিক উপাদানেৰে চহকী মাজুলীৰ প্ৰেক্ষাপতত এই বিশ্ববিদ্যালয়খন উপযোগী হ'ব। সেয়েহে ইয়াক পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়াৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ গৃহসমূহৰ নিৰ্মাণশৈলী পাৰিপাৰ্শ্বিক অনুকূল হ'ব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিশ্ববিদ্যালয়খনৰ পাঠাদান সুচাৰুৰূপে চলাই নিয়াৰ বাবে শিক্ষকৰ পদসমূহ শীঘ্ৰে অনুমোদন জনোৱা হ'ব।

অনুষ্ঠানত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই মুখ্যমন্ত্ৰীক বিশ্ববিদ্যালয়খনৰ বিভিন্ন পাঠ্যক্ৰম আৰু অন্যান্য শিক্ষামূলক বিষয়ৰ বিষয়ে এটি প্ৰেজেণ্টেশ্যন দিয়ে। সভাত ভাষণ প্ৰদান কৰি উপাচাৰ্য ড° ডম্বৰুধৰ নাথে মুখ্যমন্ত্ৰীক জনায় যে ২০২১ বৰ্ষৰ পৰা ৫ টা পাঠ্যক্ৰমত বিশ্ববিদ্যালয়খনে পাঠদান আৰম্ভ কৰিব। সম্প্ৰতি এই পাঠদান পূব মাজুলী মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাত অস্থায়ীভাৱে আৰম্ভ কৰা হ'ব বুলিও তেওঁ মুখ্যমন্ত্ৰীক জনায়। উল্লেখ্য যে এই বিশ্ববিদ্যালয়ে দৃশ্য শ্ৰাব্য কলা, সাহিত্য আৰু সমাজ বিজ্ঞান, ভাষাতত্ত্ব আৰু সাহিত্য, যোগ, ভাৰতীয় পাৰম্পৰিক ভেষজ বিজ্ঞান অধ্যায়ন, ধৰ্মীয় পৰম্পৰা আৰু তুলনামূলক বিশ্লেষণ ইত্যাদি বিষয়সমূহ সামৰি ল'ব। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়কগৰাকীয়ে জনায় যে ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগে বিশ্ববিদ্যালয়খনৰ ডিগ্ৰী প্ৰদানৰ স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে এই বিশ্ববিদ্যালয়খনৰ বাবে গড়মূৰৰ সমীপৰ লুইত নদীৰ পাৰত ১০০ বিঘা মাটিৰ আৱণ্টন দিয়া হৈছে।

আজিৰ এই ৱেবছাইট মুকলি অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱগোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক (ভাৰপ্ৰাপ্ত) নৰনাৰায়ণ নাথ, বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য ড° হেমচন্দ্ৰ গোস্বামী আৰু হৰিচৰণ ভূএগ্ৰা বৰবায়ন প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**ৰঃবঃ / পুঃডেঃ**
**২৭/১১/২০২০**